# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

**Date :** 23-04-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

ৰাজ্যত আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। শাসকীয় মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী তথা দলৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱাল, অগপৰ সভাপতি অতুল বৰাকে ধৰি বিভিন্নজনে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলাইছে। একেদৰে কংগ্ৰেছ দলৰ হৈ দলৰ সভাপতি ভূপেন কুমাৰ বৰা, সাংসদ গৌৰৱ গগৈকে ধৰি শীৰ্ষ নেতাসকলে প্ৰচাৰ চলাই আছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি চৰাইদেউ জিলাৰ লাকুৱাত এখন জনসভাত অংশ লয়। শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ভালেসংখ্যক লোকে এই সভাত অংশগ্ৰহণ কৰে।

ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই বৰাকত দুদিন প্ৰচাৰ চলোৱাৰ পাছত কালি গোলাঘাট জিলাৰ খুমটাই সমষ্টিৰ অন্তৰ্গত মৰঙি আৰু নামবৰ জিলা পৰিষদত নিৰ্বাচনী প্ৰচাৰ চলায়। মন্ত্ৰী নন্দিতা গাৰ্লোচা আৰু খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই সভাপতিগৰাকীৰ সৈতে প্ৰচাৰ সভাত ভাগ লয়। আজি তেওঁ শোণিতপুৰ আৰু গহপুৰত নিৰ্বাচনী প্ৰচাৰ চলাব। অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰাই কালি গোলাঘাট জিলাত প্ৰচাৰ সভাত অংশ লৈ বিগত সময়ছোৱাত বিজেপি মিত্ৰজোঁট চৰকাৰখনে জনসাধাৰণৰ কল্যাণৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহত আলোকপাত কৰে। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱালে আজি শদিয়া, লখিমপুৰ আৰু জোনাইত প্ৰচাৰ চলাব। কালি মন্ত্ৰীগৰাকীয়ে তিনিচুকীয়াত প্ৰচাৰ চলায়।

ধেমাজি জিলাত কালি যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ আৰু প্ৰদেশ কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই বৰদলনিৰ বৰবামত প্ৰচাৰ সভাত অংশ লয়। সাংসদ গগৈয়ে কেন্দ্ৰ আৰু ৰাজ্যত কংগ্ৰেছ চৰকাৰ নাথাকিলেও জনসাধাৰণৰ হৃদয়ত কংগ্ৰেছ আছে বুলি মন্তব্য কৰে।

তিনিচুকীয়াতো পঞ্চায়ত নিৰ্বাচনক লৈ জিলা প্ৰশাসনৰ তৎপৰতা অব্যাহত আছে। জিলাখনৰ ৭ খন আঞ্চলিক পঞ্চায়ত, ২২ খন জিলা পৰিষদ, ৮৬ খন গাঁও পঞ্চায়ত আৰু ৮৮৬ টা ৱাৰ্ডৰ বাবে এহেজাৰ ৭৮ টা ভোটগ্ৰহণ কেন্দ্ৰত ৫ হাজাৰ বিষয়া-কৰ্মচাৰী নিয়োগ কৰা হৈছে। নিৰ্বাচনী প্ৰক্ৰিয়াৰ সকলো দিশ জিলা আয়ুক্তই তদাৰক কৰাৰ লগতে সম জিলা আয়ুক্তৰ কাৰ্যালয়ৰ অধীনত নিৰ্বাচনৰ কামত নিযুক্ত বিষয়াসকলক দায়িত্বভাৰ গতাই দিয়া হৈছে।

ডিব্ৰুগড় জিলাৰ ৭ টা বিধানসভা সমষ্টিৰ অন্তৰ্গত ২২ খন জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়ত সদস্য আৰু ৱাৰ্ড সদস্যৰ বাবে ২ মে'ত হ'বলগীয়া নিৰ্বাচনৰ বাবে প্ৰাৰ্থী আৰু ৰাজনৈতিক দলসমূহৰ ব্যস্ততা বৃদ্ধি পাইছে। মন্ত্ৰী বিমল বৰা, প্ৰশান্ত ফুকন, বিধায়ক তৰংগ গগৈ, পোনাকণ বৰুৱা, বিনোদ হাজৰিকা, তেৰশ গোৱালা, চক্ৰধৰ গগৈ নিজ নিজ সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। উল্লেখযোগ্য যে ভাৰতীয় জনতা পাৰ্টী আৰু অসম গণ পৰিষদ মিত্ৰ দলে ইতিমধ্যে কেইবাখনো জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু ৱাৰ্ড সদস্যৰ পদত বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে।

ooooooo

জম্মু-কাশ্মীৰৰ অনন্তনাগ জিলাৰ পহলগামত কালি অচিনাক্ত সন্ত্ৰাসবাদীয়ে পৰ্যটকৰ ওপৰত আক্ৰমণ চলোৱা ঘটনাৰ পাছত  কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে যোৱা নিশা শ্ৰীনগৰত শীৰ্ষ বিষয়াসকলৰ সৈতে এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত মিলিত হয়। গৃহমন্ত্ৰীগৰাকীয়ে আজি উপ-ৰাজ্যপাল মনোজ সিনহাৰ সৈতে সন্ত্ৰাসবাদী আক্ৰমণৰ এলেকাটো পৰিদৰ্শন কৰিব। তেওঁ লগতে এই আক্ৰমণৰ প্ৰত্যক্ষদৰ্শীৰ সৈতে কথা-বতৰা হোৱাৰ লগতে চিকিৎসাধীন অৱস্থাত থকা আহতসকলৰ স্বাস্থ্যৰ বুজ লোৱাৰ সম্ভাৱনা আছে। ইপিনে সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তেওঁৰ ছৌদি আৰৱ ভ্ৰমণ আধাতে সামৰি ভাৰতলৈ ঘূৰি আহিছে। প্ৰধানমন্ত্ৰীৰাকী তেওঁৰ এই ভ্ৰমণ সামৰি আজি নিশা ঘূৰি অহাৰ কথা আছিল।

উল্লেখযোগ্য যে শ্ৰীনগৰৰ পৰা প্ৰায় ৮৫ কিলোমিটাৰ নিলগৰ দক্ষিণ কাশ্মীৰৰ অনন্তনাগ জিলাৰ পহলগামৰ বেইচৰণ বনাঞ্চলত কালি সন্ত্ৰাসবাদীৰ আক্ৰমণত দুজন বিদেশী পৰ্যটক আৰু দুজন কাশ্মীৰী লোককে ধৰি ২৬ জন পৰ্যটকৰ মৃত্যু হয়।

পহলগামৰ এই সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিবাদ জনাই জম্মু-কাশ্মীৰ ব্যৱসায় আৰু বাণিজ্য সংগঠনসমূহে আজি কাশ্মীৰ বন্ধ ঘোষণা কৰিছে। আমাৰ জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি ভালেমান ধৰ্মীয় সংস্থাইও এই বন্ধৰ সমৰ্থন কৰিছে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পহলগামত পৰ্যটকক সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাক গৰিহণা দিছে। এই ঘটনাক অতি দুখঃজনক আৰু অমানৱীয় বুলি অভিহিত কৰি ৰাষ্ট্ৰপতি মুৰ্মুৱে কয়, যে নিৰ্দোষী নাগৰিকক আক্ৰমণ কৰাটো অতি ভয়াবহ আৰু অক্ষমনীয় কাৰ্য। শ্ৰীমতী মুৰ্মুৱে এই আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলৰ নিকটাত্মীয়লৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ কামনা কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এটা বাৰ্তাত এনে ধৰণৰ হিংসাত্মক ঘটনা অতি নিন্দনীয় বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই জঘন্য আক্ৰমণৰ আঁৰত থকা লোকসকলক ৰেহাই দিয়া নহ'ব আৰু ইয়াৰ ভুক্তভোগীসকলক ন্যায় দিয়া হ'ব বুলি মত প্ৰকাশ কৰে।

বিশ্বৰ বিভিন্ন প্ৰান্তৰ নেতাসকলেও এই সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাক নিন্দা কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তথা ভাৰতবাসীলৈ গভীৰ সমবেদনা আৰু পূৰ্ণ সমৰ্থন ব্যক্ত কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজত ভাৰতৰ সৈতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ শক্তিশালী সমৰ্থন আছে বুলি প্ৰকাশ কৰে।

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে এই আক্ৰমণক লৈ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ সমবেদনা জ্ঞাপন কৰিছে।

সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ আৰু ইৰাণেও এই সন্ত্ৰাসবাদী আক্ৰমণক কঠোৰভাৱে নিন্দা কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ভাৰতত থকা ইৰাণৰ দূতাবাসে ভাৰত চৰকাৰ তথা দেশৰ জনসাধাৰণলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰিছে।

০০০০০০

**সমাপ্ত**